জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬৩/২০২২**

# সাহিত্য অকাদেমীৰ অনুবাদ বঁটা প্ৰাপক পংকজ ঠাকুৰৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৭ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট সাহিত্য সমালোচক, অনুবাদক, সম্পাদক আৰু সাহিত্য অকাদেমীৰ অনুবাদ বঁটা প্ৰাপক পংকজ ঠাকুৰৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সাহিত্যৰ সেৱাত সুদীৰ্ঘ দিন ধৰি নিৰলসভাৱে ব্ৰতী হৈ থকা পংকজ ঠাকুৰৰ বিয়োগত অসমীয়া সাহিত্য জগতে এগৰাকী নিষ্ঠাৱান সাহিত্যসেৱী হেৰুৱালে। এইগৰাকী বিশিষ্ট সাহিত্যিকৰ বিয়োগ ৰাজ্যখনৰ বৌদ্ধিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত পংকজ ঠাকুৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**১৭-২-২০২২**